জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৬২/২০২১

## ৰাজ্যখনত জনজাতিসকলৰ জীৱিকা উন্নয়নৰ অৰ্থে ৰূপায়িত হৈ থকা আঁচনিসমূহ মুখ্যমন্ত্ৰীৰ সৈতে পৰ্যালোচনা কৰিলে কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুন মুণ্ডাই

### ৰাজ্যত স্থাপন হ'ব ৫ খন ট্ৰাইফুড ট্ৰাইবেল ফুড পাৰ্ক, ৪০০ খন জনজাতীয় গাঁৱক লৈ স্থাপন কৰা হ'ব বন ধন বিকাশ কেন্দ্ৰ

### কেন্দ্ৰৰ উদ্যোগত ৰাজ্যখনত নতুনকৈ স্থাপন হ'ব সাতখন একলব্য আদৰ্শ বিদ্যালয়

**দিছপুৰ, ১২ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰণালয়ৰ মন্ত্ৰী অৰ্জুন মুণ্ডাই আজি গুৱাহাটীৰ কইনাধৰাস্থিত ১ নম্বৰ ৰাজ্যিক অতিথিশালাত অনুষ্ঠিত এক বৈঠকত জনজাতিসকলৰ কল্যাণৰ বাবে ৰাজ্যখনত ৰূপায়িত হৈ থকা কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিসমূহৰ পৰ্যালোচনা কৰাৰ লগতে আগন্তুক সময়ত ৰাজ্যখনত গ্ৰহণ কৰিবলগীয়া বিভিন্ন পদক্ষেপ সমূহৰ বিষয়েও আলোচনা কৰে। এই পৰ্যালোচনা বৈঠকৰ আৰম্ভণিতে ট্ৰাইবেল কো-অপাৰেটিভ মাৰ্কেটিং ডেভলপমেন্ট ফেডাৰেশ্যন অৱ ইণ্ডিয়া লিমিটেড (ট্ৰাইফেড)ৰ পৰিচালন সঞ্চালক প্ৰবীৰ কৃষ্ণই অসমত ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ এক সম্যক বিশ্লেষণ দাঙি ধৰাৰ লগতে প্ৰস্তাৱিত পৰিকল্পনাসমূহ সামৰি এক বিস্তৃত প্ৰেজেন্টেশ্যন আগবঢ়ায়।

এই পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰাষ্ট্ৰৰ সকলো শ্ৰেণীৰ লোকৰ উত্তৰণৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেখা স্বপ্ন বাস্তৱায়িত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে জনজাতি সকলকে ধৰি ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। এই বৈঠকত ট্ৰাইফেডৰ পৰিচালন সঞ্চালক প্ৰবীৰ কৃষ্ণই ৰাজ্যখনত নতুনকৈ স্থাপন কৰিব বিচৰা বন ধন বিকাশ কেন্দ্ৰৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে অহা বৰ্ষৰ মাৰ্চ মাহৰ ভিতৰত ৰাজ্যখনৰ ৪০০ খন জনজাতীয় গাঁও সামৰি এনে বন ধন বিকাশ কেন্দ্ৰসমূহ স্থাপনৰ ক্ষেত্ৰত যথোচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই দিশত অগ্ৰগতি সুনিশ্চিত কৰাৰ উদ্দেশ্যে তেওঁ নিয়মীতভাৱে ইয়াৰ পৰ্যালোচনা কৰিব। এই বন ধন বিকাশ কেন্দ্ৰসমূহৰ দ্বাৰা উৎপাদিত সামগ্ৰীসমূহ ন্যূনতম সমৰ্থিত মূল্যৰে ৰাজ্য চৰকাৰে ক্ৰয় কৰিব। ৰাজ্যখনত জনজাতিসকলৰ আৰ্থ-সামাজিক বিকাশৰ প্ৰক্ৰিয়াটো অধিক ত্বৰান্বিত কৰা আৰু এই ক্ষেত্ৰত জনজাতিসকলৰ উৎপাদিত সামগ্ৰীৰ মূল্যসংযোজনৰ উদ্দেশ্যেৰে ৰাজ্যখনত স্থাপন কৰিবলগীয়া ৫ খন 'ট্ৰাইফুড ট্ৰাইবেল

ফুড পাৰ্ক' স্থাপনৰ পৰিকল্পনাও ট্ৰাইফেডৰ পৰিচালন সঞ্চালকগৰাকীয়ে সদৰি কৰাৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীয়ে এই দিশত যাৱতীয় সকলো সহায়-সহযোগিতা আগবঢ়োৱা হ'ব বুলি কয়। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনত সাতখন নতুনকৈ স্থাপন কৰিবলগীয়া একলব্য আদৰ্শ বিদ্যালয়ৰ ভূমি শীঘ্ৰে আৱণ্টন দিয়াৰ বাবেও সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে।

উল্লেখ্য যে বন ধন বিকাশ কেন্দ্ৰসমূহৰ জৰিয়তে ট্ৰাইফেডে দক্ষতা বিকাশৰ বাবে প্ৰশিক্ষণ, প্ৰাথমিক খাদ্য সংসাধন আৰু মূল্য সংযোজনৰ সুবিধা প্ৰদানৰ লগতে কাৰিকৰী সহায়তাও আগবঢ়ায়। আনহাতে কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰণালয়, খাদ্য সংসাধন উদ্যোগ মন্ত্ৰণালয় আৰু ট্ৰাইফেডৰ যৌথ সহযোগিতাৰে বন ধন যোজনাৰ অধীনত ট্ৰাইফুড ট্ৰাইবেল ফুড পাৰ্কসমূহ স্থাপনৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ জৰিয়তে জনজাতীয় লোকৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজন কৰি উপযুক্ত বিপণনৰ পৰিকল্পনা লোৱা হৈছে।

বৈঠকত কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী অৰ্জুন মুণ্ডাই কয় যে ৰাজ্যখনৰ জনজাতীয় লোকসকলৰ উত্তৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সকলো ধৰণৰ সহযোগিতা আগবঢ়াই আহিছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিকাশৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। অঞ্চলটোৰ প্ৰতি থকা প্ৰধানমন্ত্ৰীৰ এই সদিচ্ছাৰ আধাৰতে জনজাতীয় যুৱক-যুৱতীসকলৰ নিয়োগৰ সুবিধা সৃষ্টি উদ্দেশ্যেৰে উদ্যমিতা বৃদ্ধিৰ বাবে বিভিন্ন আঁচনি আৰু কৰ্মসূচী গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে আগন্তুক পাঁচ বছৰত কেন্দ্ৰীয় চৰকাৰে অসমত যথেষ্ট সংখ্যক আদি আদৰ্শ গ্ৰাম স্থাপনৰো পৰিকল্পনা লৈছে।

আজিৰ এই বৈঠকতে ৰাজ্যখনৰ 'ট্ৰাইছেম' বেগুলৈ আগবঢ়োৱা বন ধন ৰাষ্ট্ৰীয় বঁটাও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড° শৰ্মাক অৰ্পণ কৰে।

আজিৰ এই বৈঠকত শিক্ষা মন্ত্ৰী ডাঃ ৰনোজ পেগু, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, পৰিৱেশ আৰু বন মন্ত্ৰী পৰিমল শুক্লবৈদ্য, কৃষি মন্ত্ৰী অতুল বৰা, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্মৰ উপৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**নিঃকুঃদাঃ**

**১২-০৯-২০২১**